# NASHA MUKTI CAMPAIGN ORGANISED BY *NERDM* AND DISTRICT SOCIAL WELFARE, KAMRUP IN COLLABORATION WITH ALUMNI ASSOCIATION ON 28TH MARCH, 2023

Guwahati, Thursday, March 30, 2023
দৈনিক জনমভূমি

## যুৱ সমাজৰ এতিয়াৰ সময় যথেষ্ট প্ৰত্যাহ্বানমূলক ঃ ড° হিতেশ ডেকা


চাংসাৰি ঃ এজন সাংবাদদাতা, ২৯ মাৰ্চ ঃ বেচৰকাৰী সংস্থা নৰ্থ ইষ্ট ৰুৰেল ডেভেলপমেণ্ট মিছন আৰু জিলা সমাজ কল্যাণ বিভাগ তথা শৰাইঘাট মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে শৰাইঘাট মহাবিদ্যালয়ত এক 'নিচামুক্তি অভিযান' শীৰ্ষক আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানৰ আঁত ধৰে মিছনৰ সমন্বয়ক অৰূপজ্যোতি ডেকাই। বন্তি প্ৰজ্বলন আৰু এটা বন্দনাৰে অনুষ্ঠানটোৰ আৰম্ভণি কৰে শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাৰ লগতে কামৰূপ জিলাৰ 'নিচামুক্তি অভিযান' শীৰ্ষক আলোচক নৰসিং বে'ই। ভাষণতআলোচক নৰসিং বে'ই কয় যে মেঘালয়ৰ পাহাৰৰ যুৱ সমাজ আজি ঝুম খেতি কৰি বহু আগুৱাই গ'ল। কৰ্মত ব্যস্ত থকা বাবে আজি লাহে লাহে তেওঁলোক ড্ৰাগ্‌ছ সেৱনৰ পৰা আঁতৰি অহা দেখা গৈছে। বিশিষ্ট শিক্ষাবিদ তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° হিতেশ ডেকাই কয় যে ছাত্ৰ-ছাত্ৰী তথা যুৱ সমাজৰ এতিয়াৰ সময় যথেষ্ট প্ৰত্যাহ্বানমূলক। অসৎ সংগ ত্যাগ কৰাৰ লগতে নিজকে সৃষ্টিশীল কামত ব্ৰতী নাৰাখিলে ড্ৰাগ্‌ছৰ কবলৰ পৰা ৰক্ষা কৰাটো বহু ছাত্ৰ-ছাত্ৰীৰ বাবে কঠিন হৈ পৰিব। এই ড্ৰাগ্‌ছ পেডলাৰবোৰ চিনাক্ত কৰি তেওঁলোকক কাউন্সেলিঙৰ মাধ্যমেৰে মূলসুঁতিলৈ ঘূৰাই লৈ অহাৰ দায়িত্বৰ কথাও উল্লেখ কৰে। এই সভাত উপস্থিত থাকি মিষ্টাৰ ইউনিভাৰ্ছ খ্যাত গোলাপ ৰাভাৰ লগতে অৰ্জুন এৱাৰ্ডি তথা অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক নয়নমণি শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক ব্ৰহ্ম পুৱাই শোৱাপাটী ত্যাগ কৰি কচৰৎ আৰু শৰীৰ চৰ্চাৰ দ্বাৰা কেনেকৈ মনত এক ধনাত্মক চিন্তাৰ উদ্বেগ ঘটাব পাৰি, তাৰ ওপৰত বক্তৃতা আগবঢ়ায়। সভাত ড্ৰাগ্‌ছ সেৱন বিষয়বস্তুৰ ওপৰত নিৰ্বাক গোষ্ঠীৰ শিল্পীসকলে মূকাভিনয় কৰে। শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা পুব বংশৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক শ্বেখ আব্দুল হামিদে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি বক্তব্য ৰাখি কয় যে অগ্ৰজসকলৰ লগত সম্পৰ্ক বজাই ৰাখি জীৱনৰ মাৰ্গ দৰ্শন কৰা অনুজসকলে কেতিয়াও বেয়া পথ ল'ব নোৱাৰে। শেষত সকলোকে শলাগৰ শৰাই আগবঢ়ায় শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সভাপতি তবিবৰ ৰহমানে।



### শৰাইঘাট কলেজত 'নিচামুক্তি অভিযান' শীৰ্ষক আলোচনা-চক্ৰ

CHANDRAPRABHA EYE HOSPITAL
K.K. HANDIQUE PATH, JORHAT - 785001
CPEH
FIRST NABH EYE HOSPITAL IN NORTH-EAST
Chandraprabha Eye Hospital
- 70 Bedded Eye Hospital, Second largest in NE.
- Only Eye Hospital in India to do Phaco in all cases, paying & non paying.
- First to start phaco surgery in NE in 1996.
- First NABH accredited Eye Hospital in NE in 2017.
- First paperless Hospital in NE with EMR

## চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ত নিচামুক্তিৰ সজাগতা



নিয়মীয়া বাৰ্তা, চাংসাৰি, ২৮ মাৰ্চ ঃ আজি কামৰূপ জিলাৰ সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত তথা নৰ্থ ইষ্ট ৰিছাৰ্চ এণ্ড ৰুৰেল ডেভেলপমেণ্ট মিছনৰ সহযোগত চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ সভাকক্ষত ড্ৰাগ্‌ছ, মাদক দ্ৰব্য ইত্যাদিৰ দৰে নিচাযুক্ত সামগ্ৰী সেৱনৰ বিৰুদ্ধে এক নিচামুক্তিৰ সজাগতাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। কামৰূপ জিলাৰ উন্নয়ন আয়ুক্ত নৰসিং বে'ই বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰা এই সজাগতাৰ কাৰ্যসূচীত প্ৰায় ২০০গৰাকী যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ১০ পৃষ্ঠাত

নিয়মীয়া বাৰ্তা

## চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ত নিচামুক্তিৰ সজাগতা

উক্ত সজাগতা কাৰ্যসূচীত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° হিতেশ ডেকা, অৰ্জুন বঁটাপ্ৰাপক নয়নমণি শইকীয়া, মিষ্টাৰ ইউনিভাৰ্ছ গোলাপ ৰাভাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি ড্ৰাগ্‌ছ তথা অন্যান্য নিচাযুক্ত সামগ্ৰী সেৱনৰ অপকাৰিতাৰ বিষয়ে বিতং ব্যাখ্যা আগবঢ়ায়। তেওঁলোকে এই অপশক্তিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়াৰ লগতে সমাজৰ সকলো স্তৰতে ইয়াৰ বিৰুদ্ধে উপযুক্ত সজাগতা সৃষ্টি কৰাত অগ্ৰণী ভূমিকা লোৱাৰ বাবে যুৱ শক্তিক আহ্বান জনায়। অনুষ্ঠানত কামৰূপ জিলাৰ উন্নয়ন আয়ুক্ত নৰসিং বে', জিলা সমাজকল্যাণ বিষয়া নিশামণি কলিতায়ো ড্ৰাগ্‌ছৰ দৰে অপশক্তিৰ বিৰুদ্ধে সজাগ-সচেতন হোৱাৰ বাবে যুৱ চামক আহ্বান জনায়। অনুষ্ঠানত নৰ্থ ইষ্ট ৰিছাৰ্চ এণ্ড ৰুৰেল ডেভেলপমেণ্ট মিছনৰ কাৰ্যবাহী সঞ্চালক অৰূপজ্যোতি ডেকায়ো সামৰণী ভাষণ দি নিজৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে ড্ৰাগ্‌ছ তথা অন্যান্য নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে আৰম্ভ কৰা এই সজাগতা কাৰ্যসূচীৰ অংশীদাৰ হোৱাৰ বাবে জিলাখনৰ যুৱশক্তিক আহ্বান জনায়।